# NSD NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 07-07-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::::**

১। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গণতন্ত্ৰৰ তিনিটা স্তম্ভ ন্যায়পালিকা, বিধানসভা আৰু কাৰ্যবাহী কৰ্তৃপক্ষৰ মাজত সমতা বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

২। ব্ৰীকচ্ শীৰ্ষ সন্মিলনৰ আজি দ্বিতীয় দিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তৰাষ্ট্ৰীয় সৌৰ সহযোগিতা, জৈৱ ইন্ধন সহযোগিতা, দুৰ্যোগ প্ৰতিৰোধী আন্তঃগাথনিৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰিব।

৩। দেশৰ খননক বিকাশ, জনকল্যান আৰু পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়াই লৈ যাবলৈ কেন্দ্ৰীয় চৰকাৰে গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে মন্তব্য কৰিছে।

৪। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কৈছে যে দেশে বৰ্তমান সকলো নাগৰিকৰ বাবে সুলভ আৰু সম পৰ্যায়ৰ স্বাস্থ্য সুবিধা উপলব্ধ কৰাৰ উদ্দেশ্যৰ লক্ষ্য প্ৰাপ্তিৰ দিশে সুন্দৰভাৱে আগবাঢ়িবলৈ সক্ষম হৈছে। ***আৰু***

৫। উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি ভাৰতৰ য়ুকি ভামব্ৰি আৰু তেওঁ আমেৰিকাৰ সহযোগী ৰবাৰ্ট গালোৱেৰ যুটিটো পুৰুষৰ ডাবলছৰ তৃতীয় ৰাউণ্ডত অৱতীৰ্ণ হৈছে।

০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গণতন্ত্ৰৰ তিনিটা স্তম্ভ ন্যায়পালিকা, বিধানসভা আৰু কাৰ্যবাহী কৰ্তৃপক্ষৰ মাজত সমতা বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে বৰ্তমান কেৰালাত থকা উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে প্ৰতিটো প্ৰতিষ্ঠানেই নিজৰ নিজৰ কাৰ্যক্ষেত্ৰত সৰ্বোত্তম আৰু আন কাৰ্যক্ষেত্ৰৰ ইয়াত কৰিব পৰা প্ৰৱেশে গণতন্ত্ৰৰ প্ৰতি প্ৰবল ভাবুকি আনিব পাৰে। কেৰালাৰ কোচ্চিস্থিত ৰাষ্ট্ৰীয় আইন উন্নত অধ্যয়ন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আজি হোৱা এটা মুখামুখি অনুষ্ঠানত উপৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতে শান্তি আৰু সম্প্ৰীতিপূৰ্ণ পৃথিৱী এখন গঢ় দিয়াত গুৰুত্ব প্ৰদান কৰিব লাগিব বুলি মন্তব্য কৰে।

০০০০

ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত চলি থকা ব্ৰীকচ্ শীৰ্ষ সন্মিলনৰ আজি দ্বিতীয় দিনা পৰিৱেশ, COP-30 আৰু বিশ্ব স্বাস্থ্যৰ সন্দৰ্ভত তিনিখন গুৰুত্বপূৰ্ণ সত্ৰৰ আয়োজন কৰা হৈছে। এই সত্ৰত উপস্থিত থাকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰিৱেশ সম্বন্ধীয় কাৰ্যপন্থাৰ ক্ষেত্ৰত ভাৰতৰ গভীৰ দায়বদ্ধতাক দোহাৰিব। তেওঁ লগতে মানুহৰ হকে আৰু প্ৰকৃতিৰ হকে আমাৰ দেশে গ্ৰহণ কৰা উন্নয়ন আৰু বিকাশশীল পদক্ষেপসমূহৰ সন্দৰ্ভতো আলোকপাত

কৰিব। শ্ৰীমোদীয়ে আন্তৰাষ্ট্ৰীয় সৌৰ সহযোগিতা, জৈৱ ইন্ধন সহযোগিতা, দুৰ্যোগ প্ৰতিৰোধী আন্তঃগাথনিৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে এই সত্ৰত আলোচনা কৰিব।

ইপিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই শীৰ্ষ সন্মিলনত শান্তি আৰু নিৰাপত্তা শীৰ্ষক এখন সত্ৰত ভাষণ দি কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ ক্ষেত্ৰত কোনো সংকোচ কৰা উচিত নহয়। তেওঁ কয় যে সন্ত্ৰাসবাদৰ বলি হোৱা লোক আৰু সন্ত্ৰাসবাদৰ সমৰ্থকসকলক একে শাৰীতে থ'ব নোৱাৰি। সন্ত্ৰাসবাদ এতিয়া মানৱতাৰ আটাইতকৈ গভীৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে ২২ এপ্ৰিলত পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণে ভাৰতৰ আত্মা, পৰিচয় আৰু মৰ্যাদাক প্ৰত্যক্ষভাৱে আক্ৰমণ কৰিলে।

কালি ব্ৰীকচ্ শীৰ্ষ সন্মিলনৰ প্ৰথম দিনা কাৰ্যসূচী সমাপনৰ পাছত সাংবাদিকৰে সৈতে হোৱা কথা বতৰাত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ অৰ্থনৈতিক সম্পৰ্ক সচিব দম্মু ৰবিয়ে কয়, যে ব্ৰীকচ্ নেতাসকলৰ ঘোষণা পত্ৰত গ্লোৱেল চাউথৰ প্ৰায়বোৰ সমস্যাকে সামৰি লোৱা হৈছে। সচিবগৰাকীয়ে কয়, যে ব্ৰীকচ্ ৰাষ্ট্ৰগোষ্ঠীৰ আটাইকেইখন দেশে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমনক একেমুখে কঠোৰ ভাষাৰে গৰিহণা দিছে আৰু এইটো শীৰ্ষ সন্মিলনখনৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ। শীৰ্ষ সন্মিলনখনৰ আন এখন সত্ৰত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে কোনো ৰাষ্ট্ৰই নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে অৰ্থনৈতিক বিকাশ আৰু ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ খনিজ সম্পদ, প্ৰযুক্তি আৰু যোগান শৃংখলাক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা উচিত নহয়। তেওঁ কয় যে, গুৰুত্বপূৰ্ণ খনিজ আৰু প্ৰযুক্তিৰ মাজত সহযোগিতাৰ বাবে নিৰাপত্তা আৰু যোগান শৃংখলাক পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খোৱাকৈ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াটো প্ৰয়োজন। একৈশ শতিকাত জনসাধাৰণৰ সুস্বাস্থ্য আৰু প্ৰগতি প্ৰযুক্তিৰ ওপৰত বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তাই এফালে দৈনন্দিন জীৱন ধাৰণ উন্নত কৰাৰ বিপৰীতে আনফালে এই প্ৰযুক্তিয়ে বিপদাশংকাও বৃদ্ধি কৰিছে।

০০০০

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে কৈছে, যে দেশৰ খনন খণ্ডটোক বিকাশ, জনকল্যান আৰু পৰিবেশ সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়াই লৈ যাবলৈ কেন্দ্ৰীয় চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰিছে। আজি জয়পুৰত দেশৰ বিভিন্ন প্ৰান্তৰ সপ্ত তাৰকা আৰু পঞ্চ তাৰকাপ্ৰাপ্ত খনিসমূহৰ বাবে আয়োজন কৰা এটা বিশেষ সম্বৰ্ধনা অনুষ্ঠানত শ্ৰীৰেড্ডীয়ে এইকথা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰৰ নীতিসমূহে কয়লা খনিত কাৰ্যৰত শ্ৰমিকসকল আৰু কয়লা খনিৰ আশে পাশে বাস কৰা লোকসকলৰ সুৰক্ষা সুনিশ্চিত কৰা বুলিও মন্ত্ৰীগৰাকীয়ে লগতে কয়। বহনক্ষম খনন কাৰ্য সুনিশ্চিত কৰিবলৈ বিভিন্ন ধৰণৰ নতুন প্ৰযুক্তি প্ৰয়োগ কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। কয়লা খনিসমূহত কাৰ্যৰত শ্ৰমিকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বিশেষ ধ্যান দিয়াটো অত্যন্ত প্ৰয়োজনীয় বুলিও শ্ৰীৰেড্ডীয়ে লগতে কয়।

০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ সুদৃঢ় কৰাৰ উপৰি সামুদ্ৰিক খণ্ডত অঞ্চলটোৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰা বুলিকেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। গুৱাহাটীত আজি এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কয়, যে ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া সামুদ্ৰিক উৎকৰ্ষতা কেন্দ্ৰত অনাগত ১০ বছৰত ৫০ হাজাৰ ছাত্ৰ-ছাত্ৰীক

প্ৰশিক্ষণ দিয়া হ'ব। কেন্দ্ৰীয় চৰকাৰে পাণ্ডু, শিলঘাট, বিশ্বনাথ আৰু বগীবিলত লাইট হাউচ্ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হব বুলি শ্ৰী সোণোৱালে  লগতে উল্লেখ কৰে। তেওঁ লগতে বিশ্বৰ আগশাৰীৰ লজিষ্টিক কোম্পানী ৰেনাছে চলিত বৰ্ষতে ব্ৰহ্মপুত্ৰ আৰু বৰাকত পৰিৱেশ অনুকূল নাও চলোৱা আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **পৰিবহণৰ জৰিয়তে পৰিৱৰ্তন**ৰ মূলমন্ত্ৰই উত্তৰ-পূৰ্বাঞ্চলক সমৃদ্ধ কৰি তোলাৰ লগতে এক্ট-ইষ্ট নীতিৰ জৰিয়তে সমগ্ৰ অঞ্চলটো বৰ্তমান দক্ষিণ-পূব এছিয়াৰ কেন্দ্ৰবিন্দু হৈ পৰিছে বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কৈছে যে দেশে বৰ্তমান সকলো নাগৰিকৰ বাবে সুলভ আৰু সম পৰ্যায়ৰ স্বাস্থ্য সুবিধা উপলব্ধ কৰাৰ উদ্দেশ্যৰ লক্ষ্য প্ৰাপ্তিৰ দিশে সুন্দৰভাৱে আগবাঢ়িবলৈ সক্ষম হৈছে। মন্ত্ৰীজনে কয়, যে এক লাখ ৭৭ হাজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰে স্বাস্থ্য বিভাগৰ সুবিধাসমূহ ভাৰতবৰ্ষৰ নাগৰিকসকললৈ আগবঢ়াই আনিছে তথা ই-সঞ্জীৱনী আৰু টেলি মানসৰ দৰে এপসমূহৰ জৰিয়তে বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা পৰামৰ্শ ৰাইজৰ কাষ চপাই আনিছে। এখন দৈনিক বাতৰি কাকতৰ এটা লেখাৰ জৰিয়তে শ্ৰীনাড্ডাই লগতে মিছন ইন্দ্ৰধনুষৰ জৰিয়তে ৫ কোটি ৪৬ লাখ শিশু আৰু এক কোটি ৩২ লাখ গৰ্ভৱতী মহিলাক প্ৰতিষেধক প্ৰদান কৰাৰ বিষয়ে জানিবলৈ দিছে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, ৰাষ্ট্ৰসংঘৰ মেটাৰনিটি ম'ৰটেলিটি এষ্টিমেছন ইণ্টাৰ এজেন্সী গ্ৰুপ ৰেকৰ্ডৰ তথ্য মতে ভাৰতত মাতৃৰ মৃত্যুৰ হাৰ প্ৰায় ৮৬ শতাংশলৈ হ্ৰাস পাইছে যিটো পৃথিৱীৰ অন্য দেশৰ ৪৮ শতাংশৰ তুলনাত দুগুণ। মন্ত্ৰীজনে লগতে জনাই যে যোৱা এঘাৰ বছৰত ভাৰতৰ স্বাস্থ্য সেৱাই বিশ্বৰ দৰবাৰত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক সুদৃঢ় ভেটি স্থাপন কৰিবলৈ সক্ষম হৈছে।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কৈছে যে দেশে বৰ্তমান সকলো নাগৰিকৰ বাবে সুলভ আৰু সম পৰ্যায়ৰ স্বাস্থ্য সুবিধা উপলব্ধ কৰাৰ উদ্দেশ্যৰ লক্ষ্য প্ৰাপ্তিৰ দিশে সুন্দৰভাৱে আগবাঢ়িবলৈ সক্ষম হৈছে। মন্ত্ৰীজনে কয়, যে এক লাখ ৭৭ হাজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰে স্বাস্থ্য বিভাগৰ সুবিধাসমূহ ভাৰতবৰ্ষৰ নাগৰিকসকললৈ আগবঢ়াই আনিছে তথা ই-সঞ্জীৱনী আৰু টেলি মানসৰ দৰে এপসমূহৰ জৰিয়তে বিশেষজ্ঞ চিকিৎসকৰ চিকিৎসা পৰামৰ্শ ৰাইজৰ কাষ চপাই আনিছে। এখন দৈনিক বাতৰি কাকতৰ এটা লেখাৰ জৰিয়তে শ্ৰীনাড্ডাই লগতে মিছন ইন্দ্ৰধনুষৰ জৰিয়তে ৫ কোটি ৪৬ লাখ শিশু আৰু এক কোটি ৩২ লাখ গৰ্ভৱতী মহিলাক প্ৰতিষেধক প্ৰদান কৰাৰ বিষয়ে জানিবলৈ দিছে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, ৰাষ্ট্ৰসংঘৰ মেটাৰনিটি ম'ৰটেলিটি  এষ্টিমেছন ইণ্টাৰ এজেন্সী গ্ৰুপ ৰেকৰ্ডৰ তথ্য মতে ভাৰতত মাতৃৰ মৃত্যুৰ হাৰ প্ৰায় ৮৬ শতাংশলৈ হ্ৰাস পাইছে যিটো পৃথিৱীৰ অন্য দেশৰ ৪৮ শতাংশৰ তুলনাত দুগুণ। মন্ত্ৰীজনে লগতে জনাই  যে যোৱা এঘাৰ বছৰত ভাৰতৰ স্বাস্থ্য সেৱাই বিশ্বৰ দৰবাৰত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক সুদৃঢ় ভেটি স্থাপন কৰিবলৈ সক্ষম হৈছে।

০০০০

শ্ৰীঅমৰনাথ যাত্ৰাৰ আজি পঞ্চম দিন। প্ৰতিবছৰে ৩৮ দিনীয়াকৈ আয়োজিত এই অমৰনাথ যাত্ৰা এইবছৰ জুলাই মাহৰ ৩ তাৰিখে আৰম্ভ হৈছে আৰু বৰ্তমান মসৃণভাৱে আগবাঢ়ি গৈ আছে। দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ নুনৱান-পেহেলগাম বেচ কেম্প আৰু কেন্দ্ৰীয় কাশ্মীৰৰ গন্দাৰ্বল জিলাৰ বল্‌টল বেচ কেম্পৰ দুটা পথেদি

এই যাত্ৰা আৰম্ভ হৈছে। কাশ্মীৰস্থিত হিমালয় অঞ্চলৰ ১২ হাজাৰ ৭৫৬ ফুট উচ্চতাত অৱস্থিত অমৰনাথ গুহা বৰফৰ স্বয়ম্ভূ শিৱলিংগৰ দৰে আকাৰৰ বাবে সকলোৰে মাজত বিখ্যাত। উৎসাহ উদ্দীপনাৰ এটা বাতাবৰণৰ মাজেৰে বল্‌টল আৰু পেহেলগাম বেচ কেম্পৰ পথ দুটাৰে কালিলৈকে প্ৰায় ৭০ হাজাৰ ভক্তই খোজকাঢ়ি এই গুহা দৰ্শন কৰি শ্ৰদ্ধা নিবেদিছে। আজি পুৱাৰ ভাগত পুৰুষ, মহিলা, শিশু, সাধু, সাধৱী সমন্বিতে প্ৰায় ৮ হাজাৰ ৬০০ যাত্ৰীৰ ষষ্ঠটো দলে ৩৭৩ খন বাহনেৰে দুটা পৃথক কনভয়েদি জম্মুৰ ভাগৱতী নগৰ বেচ কেম্পৰ পৰা যাত্ৰা আৰম্ভ কৰিছিল। আজি দিনৰ ১২ বজালৈকে ১৩ হাজাৰ ৩০০ তকৈ অধিক যাত্ৰীয়ে এই গুহা দৰ্শন কৰিছে।

০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি ভাৰতৰ যুকি ভামব্ৰি আৰু তেওঁ আমেৰিকাৰ সহযোগী ৰবাৰ্ট গালোৱেৰ যুটিটো পুৰুষৰ ডাবলছৰ তৃতীয় ৰাউণ্ডত স্পেইনৰ মাৰ্ছেল গ্ৰেনোলাৰ্জ আৰু আৰ্জেণ্টিনাৰ হ'ৰাচিঅ' জেবাল'চৰ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ইপিনে যোৱাবাৰৰ বিজয়ী কাৰ্লোছ আলকাৰেজ আৰু বিশ্বৰ শীৰ্ষস্থানীয় মহিলা টেনিচ তাৰকা এৰিণা চাবালেংকাই প্ৰতিযোগিতাৰ উইম্বলডনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। পুৰুষৰ ছিংগলছত প্ৰি কোৱাৰ্টাৰ ফাইনেলত হোৱা জয়ৰ সুবাদত টেইলৰ ফ্ৰীটজ্, কেমেৰুন নৰিও আৰু কাৰেন খাচানোভেও প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেললৈ আগবাঢ়িছে। ইপিনে, আজি প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ আন এখন খেলত ন'ভাক জ'ক'ভিচ - এলেক্স ডি মেনৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। আন এখন খেলত য়ান্নিক চিনাৰে- গ্ৰীগৰ দিমিট্ৰভৰ বিৰুদ্ধে খেলিব। মহিলাৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত ইগা স্বাতেকে-ক্লাৰা ট'ছেনৰ বিৰুদ্ধে আৰু মিৰা এনদ্ৰিভাই -এমা নৱাৰোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত